# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-03-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::::::::::::::::::::::::::::::::::**

১। আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ অংশস্বৰূপে চিৰাঙত মিত্ৰদলৰ নেতা-কৰ্মীৰ সৈতে দলৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মত-বিনিময়।

২। লোকসভা নিৰ্বাচনত জনসাধাৰণৰ অংশগ্ৰহণ সৰ্বাত্মক কৰি তোলাৰ লক্ষ্যৰে জিলা প্ৰশাসনসমূহৰ বিশেষ কাৰ্যসূচী।

৩। ৰাজ্যৰ ভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতিৰে দৌল মহোৎসৱ পালন ।

৪। বিশ্ব যক্ষ্মা দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ভিন্ন প্ৰান্তত সজাগতা কাৰ্যসূচী।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ। আনখন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন।

০০০০

লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজনৈতিক দলসমূহে প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ ঢালিগাঁৱৰ বঙাইগাঁও শোধানাগাৰ প্ৰেক্ষাগৃহত বিজেপি, অগপ আৰু ইউ পি পি এলৰ নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বিজেপিৰ জিলা সমিতি, মণ্ডল, বিভিন্ন মৰ্চাসমূহৰ সভাপতি-সম্পাদকসকলে এই বৈঠকত অংশ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীসকলক আসন্ন লোকসভা নিৰ্বাচনৰ বাবে সাজু হোৱাৰ লগতে সৰ্বাধিক ভোটত কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক জয়ী কৰাবলৈ আহ্বান জনায়। এই বৈঠকৰ পাছত তেওঁ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অশোক সিংহাল, উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক অজয় কুমাৰ ৰায়, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে মিত্ৰদলসমূহৰ সৈতে আন এখন বৈঠকত অংশ লয়। এই বৈঠকত অনাগত নিৰ্বাচনৰ কাম-কাজ সন্দৰ্ভত বিজেপিৰ মিত্ৰদলৰ কাৰ্যকৰ্তাসকলৰ সৈতে আলোচনা কৰা হয়। অগপৰ কোকৰাঝাৰ আৰু বিজনী জিলা সমিতি নেতৃত্বই এই বৈঠকত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা লোকসভা সমষ্টিৰ বিজেপিৰ মিত্ৰদলৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীক সাক্ষাৎ কৰি অগপৰ নিৰ্বাচনী প্ৰস্তুতি সম্পৰ্কে বুজ লয়।

ইপিনে, মন্ত্ৰী পীযুষ হাজৰিকাই আজি যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ মাজুলীত নিৰ্বাচনী প্ৰচাৰ চলায়। দলীয় নেতা-কৰ্মীসকলে মন্ত্ৰীগৰাকীৰ লগতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীক কমলাবাৰী ঘাটৰ পৰা আদৰি আনে।

০০০০

আসন্ন লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মৰিগাঁও জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়া দেৱাশীষ শৰ্মাই আজি জিলাখনৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ভোটাৰৰ বাবে প্ৰয়োজনীয় ন্যূনতম সা-সুবিধা যেনে- খোৱাপানী, শৌচালয় আদিৰ সু-ব্যৱস্থাৰ দিশো নিৰীক্ষণ কৰে। নিৰ্বাচনী বিষয়া গৰাকীয়ে জিলাখনত স্থাপন কৰা ষ্ট্ৰং ৰুম পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে, নগাঁও লোকসভা সমষ্টিৰ মৰিগাঁও জিলাত অহা ২৬ এপ্ৰিলত অৰ্থাৎ দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ সম্পন্ন হ'ব। এইবাৰ জিলাখনত মুঠ ভোটকেন্দ্ৰৰ সংখ্যা হৈছে ৯১১টা।

একেদৰে, শোণিতপুৰ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আসন্ন নিৰ্বাচন প্ৰক্ৰিয়াত নিয়োজিত প্ৰথম পোলিং বিষয়াৰ প্ৰশিক্ষণ কাৰ্যসূচী পৰিদৰ্শন কৰে। এই কাৰ্যসূচীত প্ৰায় এহেজাৰ ৩৫০ গৰাকী প্ৰশিক্ষাৰ্থীক সামৰি লোৱা হৈছে। অনুষ্ঠানত প্ৰশিক্ষাৰ্থীসকলক ই ভি এম, ভি ভি পি এটি পৰিচালনা কাৰ্যক্ষমতাৰ ওপৰত প্ৰশিক্ষণ দিয়া হয়।

আনহাতে, নিৰ্বাচন সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে হাইলাকান্দি জিলাত আজি বিশেষ সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। পদ্ধতিগত ভোটাৰ শিক্ষণ তথা সজাগতা কাৰ্যসূচীৰ অধীনত শ্ৰীকৃষ্ণন সাৰদা মহাবিদ্যালয়ত এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বাগান অঞ্চলৰ ভোটাৰ তথা নৱ প্ৰজন্মৰ ভোটাৰসকলক ভোটদানৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত কৰা হয়। লগতে ভোটদানৰ সুবিধাৰ্থে নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে তেওঁলোকক অৱগত কৰোৱা হয়।

ইপিনে, শিৱসাগৰ জিলাৰ নিৰ্বাচনী আইকন দিপলীনা ডেকাই জিলাখনত নিৰ্বাচনৰ এটি সজাগতামূলক ভিডিঅ' শুটত অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলাৰ নিৰ্বাচনী শুভংকৰ বি এল অ' বাইদেউৰ চৰিত্ৰ ৰূপায়ণ কৰা গীতটোৰ জৰিয়তে সমাগত নিৰ্বাচনত ৰাইজৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ লগতে ভোটাৰক নিজৰ গণতান্ত্ৰিক অধিকাৰ প্ৰয়োগৰ সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ লগতে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ প্ৰকল্পৰ অধীনত জিলাখনৰ অন্তৰ্গত মহাবিদ্যালয়সমূহৰ ছাত্ৰীসকলৰ মাজত আল্পনা প্ৰতিযোগিতা আয়োজন কৰা হয়। শিৱসাগৰ নগৰৰ দৌলমুখ চাৰিআলিত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ বিষয় আছিল নিৰ্বাচন, ভোটদান, ভোটাৰ, সজাগতা। জিলাখনৰ একাধিক মহাবিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিযোগিতাৰ জৰিয়তে নতুন ভোটাৰসকলক ভোটাধিকাৰ সম্পৰ্কে সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০

নিৰ্বাচন আয়োগে লোকসভা নিৰ্বাচন সৰ্বাত্মক কৰি তোলাৰ লক্ষ্যৰে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকসকলক নিজ বাসগৃহৰ পৰাই ভোটদানৰ সুবিধা প্ৰদান কৰিব। আয়োগে লোকসভা নিৰ্বাচনত ভোটাৰৰ অংশগ্ৰহণ বৃদ্ধিৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে নিৰ্বাচনী কৰ্তব্যত নিয়োজিত কৰ্মীসকলে ৮৫ বছৰৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু ৪০ শতাংশতকৈ অধিক প্ৰতিবন্ধী ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট গ্ৰহণৰ ব্যৱস্থা কৰিব। এই ব্যৱস্থাৰ অধীনত এজন ভিডিঅ'গ্ৰাফাৰৰ সৈতে দুজন ভোটগ্ৰহণকাৰী বিষয়াই যোগ্য ভোটাৰক সাক্ষাৎ কৰি ভোটাৰৰ বাসগৃহত ভোটদান প্ৰক্ৰিয়া ৰেকৰ্ড কৰিব। আনহাতে, এই দুই শ্ৰেণীৰ

ভোটাৰে যদি নিজেই গৈ ভোটকেন্দ্ৰত ভোটদান কৰিব খোজে তেন্তে তেওঁলোকক ৰেম্প, অপেক্ষাৰ স্থান, হুইল চেয়াৰ, শৌচাগাৰ আদিৰ বিশেষ সুবিধা প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ দিনা প্ৰতিটো ভোটকেন্দ্ৰতে প্ৰতিবন্ধী ভোটাৰ আৰু জ্যেষ্ঠ নাগৰিক ভোটাৰসকলৰ বাবে উপযুক্ত পৰিবহণৰ সুবিধা কৰিবলৈও আয়োগে নিৰ্বাচনী বিষয়াসকলক নিৰ্দেশ দিছে। এই শ্ৰেণীৰ ভোটাৰসকলে **সক্ষম-ই চি আই এপত** পঞ্জীয়ন কৰি হুইল চেয়াৰৰ সুবিধা লাভৰ বাবে অনুৰোধ কৰিব পাৰিব। উল্লেখযোগ্য যে, নিৰ্বাচন আয়োগে এইবাৰ বিশেষভাৱে সক্ষম ভোটাৰসকলৰ প্ৰয়োজন সম্পৰ্কে ভোটগ্ৰহণকাৰী কৰ্মীসকলক সংবেদনশীল কৰি তোলাত অধিক গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি বাকশক্তি আৰু শ্ৰৱণ শক্তিৰ দুৰ্বলতা থকা ভোটাৰসকলৰ বাবেও বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ভোটকেন্দ্ৰসমূহত দৃষ্টিহীন ব্যক্তিসকলে নিৰ্বাচন পৰিচালনা অধিনিয়ম-১৯৬১ৰ নিয়ম অনুসৰি নিজৰ হৈ ভোট দিবলৈ এগৰাকী সংগীক লগত নিব পাৰিব। তদুপৰি, যিহেতু ভোটকেন্দ্ৰসমূহত ব্ৰেইল লিপিত যুগুতোৱা প্ৰতিৰূপী বেলট কাকত উপলব্ধ হ'ব, সেয়েহে দৃষ্টিহীন ব্যক্তিসকলে এই বেলট ব্যৱহাৰ কৰিব পাৰিব আৰু সংগীৰ পৰা কোনো সহায় নোলোৱাকৈয়ে ই ভি এমৰ বেলট ইউনিটত ব্ৰেইল সুবিধা ব্যৱহাৰ কৰি নিজেই ভোটদান কৰিব পাৰিব।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে দৌল মহোৎসৱ পালন কৰা হৈছে। ইয়াৰ লগতে ৰঙৰ উৎসৱ ফাঁকুৱাক লৈ ৰাজ্যজুৰি উখল মাখল পৰিবেশে বিৰাজ কৰিছে। ভিন্নৰঙী আবিৰেৰে ৰাজ্যৰ বজাৰসমূহ ভৰি পৰাৰ সমান্তৰালভাৱে সত্ৰ তথা মন্দিৰসমূহত দৌল উৎসৱৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। মহাপুৰুষ মাধৱদেৱ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰতো আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। সত্ৰনগৰী বৰপেটা হোলী গীতৰ অমিয়া সুৰেৰে গুঞ্জৰিত হৈ উঠিছে। দৌল মহোৎসৱ উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলেৰে সত্ৰ প্ৰাঙ্গন ভৰি পৰিছে। আজি সত্ৰ প্ৰাঙ্গনত হোলী গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইপিনে, সত্ৰৰ পৰম্পৰা অনুসৰি আজি বিয়লি সত্ৰৰ টুপৰ চোতালত কলিয়াগোসাঁই আৰু দৌল গোবিন্দ মহাপ্ৰভুক ভকতসকলে সাজি উলিওৱা মেজি পুৰোৱা হ'ব। কাইলৈ ভৰ দেউল আৰু পৰহিলৈ সুঁৰেৰী তথা ফাঁকুৱা পালন কৰা হ'ব।

বৰপেটাত দৌল উৎসৱ পালন সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তই এইদৰে কয়।

## ভইছ

বৰপেটা সত্ৰৰ সমান্তৰালকৈ ঐতিহ্যমণ্ডিত সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসী শংকৰদেৱৰ থান, বৰপেটা ৰোডৰ শাখা সত্ৰ, সৰভোগৰ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোঁসাই থান আদিতো দৌল উৎসৱ পালন আৰম্ভ হৈছে। ইফালে, দৌল মহোৎসৱৰ সুঁৰেৰী উপলক্ষে বৰপেটা জিলা প্ৰশাসনে অহা ২৬ মাৰ্চৰ দিনা স্থানীয় বন্ধ ঘোষণা কৰিছে। হাউলীত পৰাভড়াল গোপালআতা সত্ৰতো ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১২৫ সংখ্যক দৌল উৎসৱ পালন কৰা হৈছে। এই উপলক্ষে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অসমীয়া সাহিত্যলৈ অমূল্য অৱদান বুঢ়ী আইৰ সাধু উপস্থাপন কৰা হয়।

কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰতো সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে পাঁচদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা দৌল উৎসৱ অনুষ্ঠিত হৈছে। আজি সন্ধিয়াৰ ভাগত দৌল গোবিন্দ মহাপ্ৰভুক মন্দিৰৰ পৰা

উলিয়াই সিংহাসনত আৰোহণ কৰোৱাৰ পাছত ব্ৰহ্মপুত্ৰৰ পাৰত **মেষদাহ পৰ্ব** পালন কৰা হৈছে। কাইলৈ মহাপ্ৰভুৰ নিত্য স্থান আৰু মহাপূজাৰ লগতে ধৰ্মীয় পৰম্পৰাৰে মহাপ্ৰভুক ফাঁকু দিয়াৰ পৰ্ব আৰম্ভ হ'ব। পাঁচদিনীয়া এই কাৰ্যসূচীত হোম-যজ্ঞ, নাগাৰা নাম, আতচবাজী প্ৰদৰ্শন, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

ইফালে কামৰূপ জিলাৰ ৰঙিয়াৰ ১০৩ বছৰ পুৰণি সীতাৰায় দৌল মহোৎসৱ উপলক্ষে ৫ দিনীয়া কাৰ্যসূচী লোৱা হৈছে। আজি পুৱাৰ ভাগত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাঙ্কন প্ৰতিযোগিতা আৰু দৌল মহোৎসৱৰ পানী তোলা পৰ্ব সম্পন্ন হয়। শুৱালকুছিৰ শ্ৰীহাতী সত্ৰ, দক্ষিণ কামৰূপৰ আমতোলা সত্ৰৰ চতুৰ্ভুজ মন্দিৰ, ৰঙিয়াৰ পোৰাঢাপ সত্ৰ, দীপ্তেশ্বৰী দেৱালয়, নবুৰ্কা সত্ৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰতো এই উৎসৱ পালন কৰা হৈছে। জিলাখনৰ পুনিয়া সত্ৰ আদিৰ লগতে কমলপুৰ, চাংসাৰী, বেজেৰা, আমিনগাঁও, মিৰ্জা, চমৰীয়া আদি অঞ্চলতো ধৰ্মীয় পৰম্পৰাৰে দৌল উৎসৱ পালন কৰা হৈছে। তামুলপুৰ জিলাৰ খৈৰাবাৰী শাখা সত্ৰত দৌল উৎসৱ উপলক্ষে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজি বিয়লিৰ পৰা দৌল উৎসৱ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ পালন কৰা হ'ব। একেদৰে গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ ঐতিহাসিক কেউলীয়া হাতীসত্ৰতো তিনিদিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব। উল্লেখযোগ্য যে, হোলী উপলক্ষে অহা ২৬ মাৰ্চত গোৱালপাৰা জিলাতো স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

ঐতিহ্যমণ্ডিত বটদ্ৰৱা থানতো আজিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌলযাত্ৰা মহোৎসৱ অনুষ্ঠিত হৈছে। থানখনত আজি গন্ধোৎসৱ অনুষ্ঠিত কৰাৰ বিপৰীতে কাইলৈ দৌল পূৰ্ণিমা আৰু পৰহিলৈ গোঁসাই ফুৰোৱা উৎসৱ অনুষ্ঠিত কৰা হ'ব। মহোৎসৱৰ আটাইকেইটা দিনতে নিশা অংকীয়া ভাওনাৰ লগতে সত্ৰীয়া নৃত্যানুষ্ঠান হোলী গীত আৰু বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

গুৱাহাটী মহানগৰীত দৌল উৎসৱ আৰু ফাকুৱা উপলক্ষে উৎসাহ উদ্দীপনাই বিৰাজ কৰিছে। গুৱাহাটী প্ৰেছ ক্লাৱত আজি এই উপলক্ষে ৰঙে ৰঙে ভৰিছে গগন শীৰ্ষক এটা অনুষ্ঠানৰ আয়োজন কৰা হয়। বিভিন্ন সংবাদ মাধ্যমত কৰ্মৰত সাংবাদিকসকলে ফাকুগুৰি সানি হোলী গীতৰ তালে তালে উৎসৱৰ আনন্দ উপভোগ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব যক্ষ্মা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰে ২০২৫ চনৰ ভিতৰত দেশৰ পৰা যক্ষ্মাৰোগ নিৰ্মূল কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰি থকা ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনিৰ অধীনত গোৱালপাৰা জিলাত ভালেমান সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হয়। উল্লেখযোগ্য যে, জিলাখনৰ ৮১খন গাঁও পঞ্চায়তৰ ভিতৰত ১৫টা গাঁও পঞ্চায়তক যক্ষ্মা মুক্ত গাঁও পঞ্চায়ত হিচাপে ঘোষণা কৰা হৈছে। বিশ্ব যক্ষ্মা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত এই ১৫খন গাঁও পঞ্চায়তক পুৰস্কৃত কৰা হয়। যক্ষ্মা ৰোগৰ নিৰ্মূলকৰণৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ব্যক্তি সকলকো এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়।

ৰাজ্যৰ অন্যান্য প্ৰান্তসমূহৰ লগতে মৰিগাঁও জিলাতো এই দিৱসৰ সৈতে সংগতি ৰাখি সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। মৰিগাঁও মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগত আয়োজিত অনুষ্ঠানত চিত্ৰাংকন প্ৰতিযোগিতা, মুকলি সভাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

কোকৰাঝাৰ জিলাত এই দিৱস উপলক্ষে সজাগতামূলক সমদল উলিওৱা পৰিলক্ষিত হৈছে।

একেদৰে, লখিমপুৰ জিলাতো যক্ষ্মা দিৱসৰ সৈতে সংগতি ৰাখি মুকলি সভা অনুষ্ঠিত হয়। জিলা যক্ষ্মা বিষয়া ডাঃ হৃদয়নন্দন বৰুৱাই যক্ষ্মা দিৱসৰ তাৎপৰ্য, চিকিৎসা, ঔষধ প্ৰণালী আৰু জনসাধাৰণৰ কৰ্তব্যৰ বিষয়ে বিশ্লেষণ আগবঢ়ায়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰত অনুষ্ঠিত আজি প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ৰাজস্থান ৰয়লছে নিৰ্ধাৰিত অ'ভাৰত ৪টা উইকেট হেৰুৱাই ১৯৩ ৰান সংগ্ৰহ কৰে। বাতৰি যুগুতোৱা পৰলৈকে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ৪টা উইকেট হেৰুৱাই ৯ অ'ভাৰত ৬৪ ৰান সংগ্ৰহ কৰে। আনহাতে, আহমেদাবাদত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

০০০০

নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণত স্থগিতাদেশ জাৰি কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ অস্বীকাৰ, দেশৰ প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ অধিসূচনা জাৰি, আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠন আইচিচৰ ভাৰতত থকা মুৰববী হেৰিছ ফাৰুকী আৰু সহযোগী অসম আৰক্ষীৰ বিশেষ টাস্কফোৰ্চৰ দ্বাৰা ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থাক অৰ্পনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

উচ্চতম ন্যায়ালয়ে নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণত স্থগিতাদেশ জাৰি কৰিবলৈ অস্বীকাৰ কৰিছে। যোৱা ১৯ মাৰ্চত সৰ্বোচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰি অহা ৮ এপ্ৰিলৰ ভিতৰত চৰকাৰক শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। অহা ৯ এপ্ৰিলত এই সন্দৰ্ভত পৰৱৰ্তী শুনানি অনুষ্ঠিত হ'ব।

আনহাতে, ২ এপ্ৰিলৰ ভিতৰত আবেদনকাৰীসকলক ৫ পৃষ্ঠাৰ লিখিত প্ৰতিবেদন দাখিল কৰাৰ নিৰ্দেশ দিয়া হৈছে। এই আইনৰ ক্ষেত্ৰত অসম আৰু ত্ৰিপুৰাৰ সৈতে জড়িত গোচৰৰ বাবে সুকীয়াকৈ শুনানি গ্ৰহণ কৰা হ'ব বুলিও আদালতে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, যোৱা ১১ মাৰ্চত কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন সন্দৰ্ভত অধিসূচনা জাৰি কৰে। ইয়াৰ লগে লগে দেশজুৰি এই আইন বলৱৎ হোৱাটো নিশ্চিত হৈছিল।

০০০০

দেশৰ নিৰ্বাচন আয়োগে যোৱা ২০ মাৰ্চত ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰে। এইটো পৰ্যায়ত ১৭ খন ৰাজ্য আৰু চাৰিখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ১০২ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ২৭ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ২৮ মাৰ্চত প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব ৩০ মাৰ্চ। অৱশ্যে বিহাৰৰ ক্ষেত্ৰত ২৮ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন ধাৰ্য কৰা হৈছে। ৰাজ্যখনত ৩০ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ বিপৰীতে মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন হ'ব ২ এপ্ৰিল।

অসমৰ নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'ব।

০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে যোৱা ২০ মাৰ্চত ধুবুৰীৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৰা গ্ৰেপ্তাৰ কৰা সন্ত্ৰাসবাদী সংগঠন আইচিচৰ ভাৰতত থকা মুৰববী হেৰিছ ফাৰুকী আৰু তেওঁৰ সহযোগী অনুৰাগ সিঙক ২১ মাৰ্চত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থাৰ হাতত গতাই দিয়ে। তদুপৰি আইচিচত সদস্য নিযুক্তি প্ৰক্ৰিয়াতো ফাৰুকী জড়িত বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে সীমান্ত পাৰ হ'বলৈ চেষ্টা কৰা অৱস্থাত ধৰ্মশালা এলেকাৰ পৰা সন্ত্ৰাসবাদী দুটাক গ্ৰেপ্তাৰ কৰা হৈছিল। এই সন্ত্ৰাসবাদী দুটা ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা অৰ্থাৎ এন আই এৰ কেইবাটাও গোচৰত অভিযুক্ত হোৱাৰ সূত্ৰে তেওঁলোকৰ সন্ধানত সংস্থাটোৱে অভিযান চলাই আছিল।

ooooo

দিল্লীৰ এখন আদালতে সুৰা নীতি গোচৰৰ সংক্ৰান্তত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২৮ মাৰ্চ পৰ্যন্ত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰিছে। বৃহস্পতিবাৰে নিশা গ্ৰেপ্তাৰ কৰা কেজৰিৱালক শুকুৰবাৰে ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱাৰ পাছত বিশেষ চি বি আই ন্যায়াধীশ কাবেৰী বাৱেজাই এই নিৰ্দেশ দিয়ে। আদালতত বিধি বলৱৎকাৰী সঞ্চালকালয়ে কেজৰিৱালক সুৰা নীতি কেলেংকাৰীৰ মূল ষড়যন্ত্ৰকাৰী বুলি উল্লেখ কৰি ১০ দিনৰ জিম্মাত বিচাৰে। তদন্তকাৰী সংস্থাটোৱে কয় যে কেজৰিৱাল বৰ্তমান প্ৰত্যাহাৰ কৰা এই সুৰা নীতি প্ৰস্তুত কৰাত পোনপটীয়াকৈ জড়িত আছিল।

ooooo

অসমত প্ৰথম পৰ্যায়ত হ'বলগীয়া ৫ খন আসনৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যয় পৰ্যবেক্ষক যোৱা ২২ মাৰ্চত ৰাজ্যখনত উপস্থিত হয়। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিসমূহত ব্যয় পৰ্যবেক্ষকে প্ৰাৰ্থীসকলৰ ব্যয়ৰ দিশ পৰ্যবেক্ষণ কৰাৰ লগতে সাধাৰণ ভোটাৰৰ সৈতে মিলিত হ'ব। জিলা প্ৰশাসনে নিয়োজিত কৰা নিৰীক্ষকৰ দল আৰু ফ্লায়িং স্কোৱাডৰ সৈতেও ব্যয় পৰ্যবেক্ষকে আলোচনাত মিলিত হ'ব। আনহাতে, ২৬ মাৰ্চত সাধাৰণ পৰ্যবেক্ষক প্ৰথম পৰ্যায়ৰ নিৰ্বাচন হ'বলগীয়া জিলাসমূহত উপস্থিত হ'ব।

ooooo

সমগ্ৰ বিশ্বৰ লগতে অসমতো ২২ মাৰ্চত বিশ্ব জল দিৱস উদযাপন কৰা হয়। বিশুদ্ধ খোৱাপানীৰ গুৰুত্বক সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ২২ মাৰ্চত বিশ্বজুৰি এই দিৱস উদযাপন কৰি অহা হৈছে। যোৰহাট জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত আৰু যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সহযোগত বিশ্ব জল দিৱস উদযাপন কৰা হয়। অনুষ্ঠানৰ মাজতে পানীৰ পৰীক্ষা কৰাৰ পদ্ধতিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰা হয়। এন টি পি চি বঙাইগাঁৱৰ উদ্যোগত কোকৰাঝাৰ জিলাৰ ছালাকাটিত বিশ্ব জল দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত পানী সংৰক্ষণ সন্দৰ্ভত আলোকপাত কৰা হয়। ৰাজ্যৰ আন আন জিলাৰ লগতে গোৱালপাৰাতো বিশ্ব জল দিৱস উদযাপন কৰা হয়।

oooo

নিৰ্বাচন আয়োগে গুজৰাট, পাঞ্জাৱ, ওড়িশা আৰু পশ্চিমবংগত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ন-ন কেডাৰ বিষয়াসকলক বদলিকৰণৰ নিৰ্দেশ দিয়ে। নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধু তথা মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ অধ্যক্ষতাত আয়োজিত বৈঠকত এই সিদ্ধান্ত লোৱা হয়। তদুপৰি আয়োগে পাঞ্জাৱৰ ৰথিন্দাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অসমৰ শোণিতপুৰ জিলাৰ আৰক্ষী অধীক্ষককো বদলিকৰণৰ নিৰ্দেশ দিয়ে।

oooo

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিত চমু অৱলোকন।

০০০০

সমাপ্ত